


# উন্নিকথা

মুকুন্দন
অংকন: অতনু ৰয়


‘কথা’ৰ দ্বাৰা প্ৰকাশিত এক 300m থিংকবুক




আইতাকে উন্নিক
মাতিলে আৰু এটা
সাধু ক'বলৈ ক'লে।

উন্নিয়ে লৰালৰিকৈ নিজৰ কিতাপবোৰ সামৰিলে। আইতাকৰ ওচৰলৈ আহি তেওঁক সাবটি ধৰিলে আৰু মৃদুস্বৰত ক'লে, মুথাশী শুনা, এইটো এজোপা কাঁচৰ গছৰ বিষয়ে এটা সৰু সাধু। চোৱা

উন্নিয়ে তাৰ সন্মুখত থকা উকা বেৰখনৰ ফালে আঙুলিয়াই দেখুৱালে। মুথাশীয়ে এটা আচৰিত বস্তু দেখা পালে। তেওঁ দেখিলে ৰজাৰ দৰে এজন মানুহক এখন পাল্কিত বহুৱাই লৈ যোৱা হৈছে।





উন্নিয়ে সাধুটো আৰম্ভ কৰিলে। এসময়ত এজন মুখিয়াল আছিল। তেওঁৰ নাম আছিল কুৰুমান পানিক্কান । এদিন তেওঁ পুৰণা প্ৰকাণ্ড চম্পক গছজোপাৰ তলত থকা শিলৰ মূৰ্ত্তিৰ ওচৰলৈ প্ৰাৰ্থনা কৰিবলৈ গৈছিল। প্ৰাৰ্থনা কৰি থকাৰ সময়তে এজন অচিনাকী লোক তেওঁৰ সমুখত ঠিয় হ'ল।

অচিনাকী লোকজনে ক'লে, মই মেলকোৱান। মই দক্ষিণৰ পৰা আহিছোঁ।

কুৰুমানে সুধিলে, তুমি কি বিচাৰিছা? মেলকোৱানে বগা ৰঙৰ সুগন্ধি ফুলৰ চম্পক গছজোপাৰ ফালে আঙুলিয়াই ক'লে, তোমাৰ গছজোপা বুঢ়া হৈছে। এইজোপা এদিন মৰি থাকিব। মই তোমাক কোনো দিনে বুঢ়া নোহোৱা আৰু কেতিয়াও পাত নসৰা এজোপা গছ বনাই দিব পাৰিম।

সঁচাকৈ নে? কুৰুমান পানীক্কানে আচৰিত হৈ সুধিলে। কেতিয়াও নমৰা গছজোপাৰ ধাৰণাটোৱে তেওঁক আকৃষ্ট কৰিলে। হাত আগবঢ়াই তেওঁ ক'লে, ঠিক আছে মোক সেই ধৰণৰ গছজোপা বনাই দিব।




মেলকোৰানে লগত নিয়া কুঠাৰ উলিয়ালে। অলপ পিছত সেই বহু বছৰৰ পুৰণি গছজোপা বাগৰি পৰিল।
বাহ আৰু কণীৰ সৈতে চৰাইৰ পোৱালী তলত পৰিল। তাকে দেখি চৰাইৰ পোৱালীৰ মাক-বাপেকবোৰে বতাহত উৰি উৰি চিঞৰিবলৈ লাগিল।



মেলকোৰানে গছজোপাত নিজৰ কাম আৰম্ভ কৰিলে। তেওঁ বহুতো কাঁচৰ টুকুৰা একেলগে লৈ আহিল।
লাহে লাহে বহুত যত্নৰে তেওঁ গছৰ শিপা আৰু কাণ্ড তৈয়াৰ কৰিলে। তাৰপিছত আহিল গছৰ ডালবোৰ।
গছজোপাৰ পাত আৰু ফুলবোৰৰ বাবে তেওঁ সেউজীয়া আৰু বগা কাঁচ ব্যৱহাৰ কৰিলে।
প্ৰত্যেকটো সিৰা, কাণ্ড আদৰেৰে খোদাই কৰিলে।



এনেদৰেই ডেৰ বছৰ পাৰ হৈ গ'ল। সূৰ্যৰ পোহৰত গছজোপা এতিয়া জলমলাই উঠে। কাঁচৰ পাতৰ মাজেৰে গছজোপাত সূৰ্যোদয় আৰু সূৰ্যাস্তৰ পোহৰৰ খেলা দেখা যায়। বহু দূৰ-দূৰণিৰ পৰা মানুহ এই আচৰিত গছজোপা চাবলৈ আহে। পানীক্কানো বহুত সুখী হয়।









কাঁচৰ গছজোপা যদিও
দেখিবলৈ সুন্দৰ,
ফুলবোৰৰ কিন্তু কোনো
সুগন্ধ নাই।

কাঁচেৰে তৈয়াৰী গছজোপাৰ ডালবোৰ
যদিও চকমকাই থাকে তাত চৰাইবোৰ
উৰি আহি নপৰে আৰু
ল'ৰা-ছোৱালীবোৰেও কোনোদিন ডালত
নবগায়।

কাঁচৰ গছ এজোপা কেতিয়াবা সঁচা হ'ব পাৰেনে?
গল্পটো শেষ হৈছে আৰু উন্নিয়ে ভাবিছে।
বেৰৰ ছবিসমূহ অস্পষ্ট হৈ গৈছে। আইতাকৰ
ওচৰলৈ উন্নি গৈ দেখিলে যে তেওঁ শুই পৰিছে।

কেৰালাৰ মাহে নামৰ ঠাইত এম. মুকুন্দনৰ জন্ম হৈছিল। ১৯৬১ চনত তেওঁ প্ৰথম গল্পটো লিখিছিল। তেওঁ লিখা ২৬ খন গ্ৰন্থ ইতিমধ্যে প্ৰকাশিত হৈছে। সাহিত্য জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁক ১৯৯৮ চনত ফৰাছী চৰকাৰে 'চেভালিয়াৰ' বঁটা প্ৰদান কৰিছিল। 'উন্নিকথা' গল্পটোৰ বাবে তেওঁ 'কথা' পুৰস্কাৰ পাইছিল।

শিশুসকলৰ বাবে এশতকৈও অধিক গ্ৰন্থৰ ৰচয়িতা অতনু ৰয়ে তেওঁৰ সৃজনীশীল ক্ষমতাৰ অধিকাংশই শিশু সাহিত্যৰ ক্ষেত্ৰত নিয়োজিত কৰিছে। ইয়াত আচৰিত হ'বলগীয়া একো নাই যে, অতনু ৰয়ে এসময়ত 'ইণ্ডিয়া টুডে' ত ৰাজনৈতিক ব্যঙ্গ চিত্ৰশিল্পীৰ কাম কৰিছিল। শিশু গ্ৰন্থৰ চিত্ৰকৰ্মৰ বাবে তেওঁ 'চিলড্ৰেনছ চইচ এৱাৰ্ড' আৰু 'আইবিবিৱাই চাৰ্টিফিকেট অৱ অ'নাৰ' পুৰস্কাৰ পাইছিল।

## কKATHA

'কথা' বিশ্বব্যাপী স্বীকৃত এটি অ-লাভজনক সংস্থা (www.katha.org) যি ১৯৮৮ চনৰ পৰাই সাক্ষৰতাৰ পৰা সাহিত্য পৰ্যন্ত-সকলো দিশতে নিৰন্তৰভাৱে কাম কৰি আহিছে। দৰিদ্ৰ শিশুসকলৰ বাবে গ্ৰন্থ প্ৰকাশ তথা তেওঁলোকৰ শিক্ষাৰ উন্নয়নৰ ক্ষেত্ৰত ৩০ বছৰীয়া সফলতাৰ সুবাদেৰে এই অনুষ্ঠানটি পুষ্ট।

"ভাৰতৰ মুকুটত ই এটি শিক্ষামূলক ৰত্ন।" **-নায়েউকি শিনোহাৰা, ডেপুটি মেনেজিং ডিৰেক্টৰ, আই. এম. এফ**

'পৃথিৱীৰ সকলো চহৰৰ দুৰ্দশাগ্ৰস্ততা নিৰাময়ৰ বাবে কাম কৰি থকা সৃজনীশীল প্ৰকল্পসমূহৰ অন্যতম এটি দৃষ্টান্ত হ'ল 'কথা'।
**-চাৰ্লছ লণ্ড্ৰী, দ্যা আৰ্ট অৱ চিটি মেকিং**

'কথা'ৰ অন্তৰাত্মাত শিশুসকলৰ বাবে এক কোমল স্থান আছে। সেয়ে 'কথা'ই শিশুসকলৰ বাবে এনে ৰঙ-বিৰঙী ছবিসমৃদ্ধ গ্ৰন্থ সৃষ্টি কৰি আহিছে।
**--টাইম আউট।**

'কথা'ই ধাৰণাৰ ভিত্তিত কাম কৰে যাতে শিশুসকলে বাস কৰা সম্প্ৰদায়ত আমূল পৰিৱৰ্তন আনিব পাৰে। **— পেপাৰ টাইগাৰছ**

এইটো সংস্কৰণৰ প্ৰথম প্ৰকাশ কাল ২০২১ চন।
গ্ৰন্থস্বত্ব © কথা 1995, 2021
পাঠ্যস্বত্ব © এম মুকুন্দন
আলোকচিত্ৰ স্বত্ব © কথা
এ-3, সৰ্বোদয় এনক্লেভ, শ্ৰীঅৰবিন্দ মাৰ্গ, নতুন দিল্লী-১১০০১৭
দূৰভাষঃ 91-11 4141 6600 . 4141 6610
"ই-মেইলঃ editors@katha.org.
ৱেবচাইটঃ www.katha.org "
ISBN 978-93-82454-65-6

**আমাৰ উদ্দেশ্যঃ** প্ৰত্যেক শিশুৱেই যেন ভালদৰে আৰু আনন্দৰ বাবে পঢ়িব পাৰে।

১৯৮৮ চনত স্থাপিত 'কথা' এটি পঞ্জীয়নকৃত অলাভজনক সংস্থা। 'কথা'ই স্বাক্ষৰতাৰ পৰা সাহিত্যলৈকে সকলো দিশতে ধাৰাবাহিকভাৱে কাম কৰি আহিছে। পঢ়াৰ অভ্যাসক প্ৰাপ্তবয়স্ক আৰু শিশুসকলৰ বাবে আনন্দদায়ক কৰি তুলিবলৈ চেষ্টা কৰি আহিছে 'কথা'ই। গ্ৰন্থ প্ৰকাশ আৰু বিভিন্ন সহায়-সহযোগিতাৰে ১,০০,০০০ ৰো অধিক দৰিদ্ৰ শিশুক 'গ্ৰেড লেবেল' পঠনৰ উপযোগী কৰি তুলিছে এই সংস্থাই।

সৰ্বস্বত্ব সংৰক্ষিত। প্ৰকাশকৰ পৰা আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থৰ কোনো অংশ, কোনো ৰূপতে কোনেও ব্যৱহাৰ কৰিব নোৱাৰিব।

এই গ্ৰন্থসমূহৰ বিক্ৰীৰ পৰা পোৱা আয়ৰ ১০% অৱহেলিত শিশুসকলৰ পঢ়া-শুনা তথা আজীৱন শিক্ষাৰ কৰ্মসূচীত খৰছ কৰা হয়।




## এই সকলো ILR গ্ৰন্থ

আনন্দ লাভ আৰু অৰ্থোদ্ধাৰৰ বাবে পঢ়ক

ইন দা গ্ৰীন চিৰিজ




































**FOR OUR BOOKS**

www.books.katha.org

ভাৰতীয় প্ৰকাশন
ইতিহাসত 'কথা' হৈছে
এক বিশেষ আৰু
অনন্য সংযোজন
-দ্য আইকনিক দ্য
ইকনমিক টাইমছ


শিশুসকলৰ বাবে
কথা গ্ৰন্থ
ISBN 978-93-88284-81-3
9 789388 284813
www.katha.org
XXX